# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 09-11-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

-------------------

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্যৰ পাঁচ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান।

২। ৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে আজি গুৱাহাটীৰ লাচিত ঘাটত যুদ্ধ বিমানৰ আকৰ্ষণীয় উৰণ কৌশল প্ৰদৰ্শন।

৩। গোৱালপাৰা জিলা প্ৰশাসন আৰু বন বিভাগৰ উচ্ছেদ অভিযানত এহেজাৰ ১৪০ বিঘা ভূমি দখলমুক্ত।

৪। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়ালক ৰাজ সাহায্যযুক্ত সামগ্ৰী সুলভ মূল্যত যোগান ধৰাৰ উদ্দেশ্যে কাইলৈ বিশেষ আঁচনি উদ্বোধন। ***আৰু***

৫। সদৌ অসম টেনিছ সন্থাৰ উদ্যোগত কাইলৈৰ পৰা গুৱাহাটীত দুখনকৈ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৈছে যে ৰাজ্য চৰকাৰে স্বচ্ছতাৰ ভিত্তিত নিযুক্তি প্ৰক্ৰিয়া গ্ৰহণ কৰাৰ ফলত বৰ্তমান যুৱক-যুৱতীসকলৰ মাজত নতুন প্ৰেৰণাৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত প্ৰাথমিক শিক্ষক পদৰ বাবে বাচনিকৃত ৰাজ্যৰ পাঁচ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান কৰি ভাষণ প্ৰসঙ্গত এই কথা প্ৰকাশ কৰে। আজি নিম্ন প্ৰাথমিক বিদ্যালয়ৰ তিনি হাজাৰ ৮০০ গৰাকী আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ এহেজাৰ ৭৫০ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰা হয়। বৰ্তমান সময়ত ৰাজ্য চৰকাৰে স্বচ্ছতা আৰু মেধাসম্পন্ন লোকৰ নিযুক্তিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ ফলত যুৱক-যুৱতীসকলৰ মাজত পঢ়া-শুনা কৰিলে চৰকাৰী নিযুক্তি পাব পাৰি বুলি আশাৰ সঞ্চাৰ হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বৰ্তমান সময়ৰ নিযুক্তিৰ পৰিবেশ ৰাজ্যত পূৰ্বতে কেতিয়াও হোৱা নাছিল বুলি তেওঁ উল্লেখ কৰে।

**বাইট**

ৰাজ্যত শিক্ষাৰ পৰিবেশ গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ড০ শৰ্মাই কয় যে বৰ্তমান ৰাজ্যখনত শিক্ষিত যুৱক-যুৱতীৰ ভালেমান প্ৰয়োজন আছে। চৰকাৰী খণ্ডত সংস্থাপন নোপোৱা যুৱক-যুৱতীসকলে ব্যক্তিগত খণ্ডত নিযুক্তি পাব পৰাৰ এটা পৰিবেশ ৰাজ্যখনত সৃষ্টি হৈছে বুলি ভাষণ প্ৰসঙ্গত তেওঁ জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্প তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ উদ্যোগসমূহত নিযুক্তিৰ সুবিধা পাব পৰাৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছতেই মন্ত্ৰীসভাৰ এখন কমিটী গঠন কৰি ৰাজ্যত ১ লাখ নিযুক্তি দিয়াৰ পৰিকল্পনা কৰা হৈছিল বুলি তেওঁ উল্লেখ কৰে। সেই অনুসৰি ৰাজ্যত ডাক্তৰ-নাৰ্চ, শিক্ষকৰ লগতে বিভিন্ন খণ্ডত পৰ্যায়ক্ৰমে নিযুক্তি প্ৰদান কৰা হৈছে। ইয়াৰ বাবে খালী থকা অথবা নতুন পদ সৃষ্টি কৰি

নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। পৰৱৰ্তী বৰ্ষসমূহত ডেৰ লাখৰ পৰা প্ৰায় ২ লাখ নিযুক্তি দিয়াৰ প্ৰয়াস কৰা হ'ব বুলি তেওঁ ভাষণত উল্লেখ কৰে। ৰাজ্যত উন্নত শিক্ষাৰ পৰিবেশ গঢ়ি তোলাৰ বাবে চৰকাৰী বিদ্যালয়ক উন্নত বিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ চেষ্টা কৰা হৈছে। বিশেষকৈ চাহ বাগিচা অঞ্চলত উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰা হৈছে। ইয়াৰ ফলত বিগত দুই-তিনিটা বছৰত শিক্ষানুষ্ঠানসমূহলৈ পুনৰ ছাত্ৰ-ছাত্ৰী উভতি আহিছে বুলি উল্লেখ কৰে। বিশেষকৈ চাহ বাগিচা অঞ্চলত বিদ্যালয়লৈ অহা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হৈছে বুলি তেওঁ উল্লেখ কৰে। ৰাজ্যত উচ্চ শিক্ষাৰ ক্ষেত্ৰত ঠায়ে ঠায়ে বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে আৰু ১৬খন নতুন বিশ্ববিদ্যালয় স্থাপনৰ বাবে ৰাজ্য চৰকাৰে বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে।

উল্লেখযোগ্য যে অহা ১৩ নৱেম্বৰত স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে বাচনিভুক্ত সাত হাজাৰ ৮৫০ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

০০০০

৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে আজি গুৱাহাটীৰ লাচিত ঘাটত অনুষ্ঠিত কেন্দ্ৰীয় অনুষ্ঠানৰ অংশ হিচাপে যুদ্ধ বিমানৰ আকৰ্ষণীয় উৰণ কৌশল প্ৰদৰ্শন কৰে। কেন্দ্ৰীয়ভাৱে আয়োজিত এই দৃষ্টিনন্দন এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদি ৭৫ খন বিমান আৰু হেলিকপ্টাৰে ভাগ লয়। প্ৰদৰ্শনীত যুদ্ধ বিমানসমূহৰ উৰণ কৌশল প্ৰদৰ্শনৰ লগতে শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

**ভইচ**

এই কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বায়ু সেনা বাহিনীৰ এই অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং উপস্থিত থকাৰ কথা আছিল যদিও বিশেষ কাৰণত তেওঁৰ ভ্ৰমণ বাতিল হয়। এই প্ৰদৰ্শনী উপভোগৰ বাবে মহানগৰীৰ বাটে পথে অগণন লোকে ভিৰ কৰা পৰিলক্ষিত হয়। আজিৰ অনুষ্ঠানৰ বিষয়ে আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰাই এইদৰে কয়-

বাইট

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গোৱালপাৰাৰ দহিকটা সংৰক্ষিত বনাঞ্চলত উচ্চেদ অভিযান চলোৱা হ্ব বুলি ঘোষণা কৰাৰ পাছত আজি গোৱালপাৰা জিলা প্ৰশাসন আৰু বন বিভাগে উচ্ছেদ অভিযান চলাই অঞ্চলটোৰ এহেজাৰ ১৪০ বিঘা ভূমি দখলমুক্ত কৰে। সংৰক্ষিত এই বনাঞ্চলত অবৈধভাৱে ৫৮০ টা পৰিয়ালে দীৰ্ঘদিন ধৰি বসবাস কৰি আছিল আৰু এমাহ পূৰ্বে প্ৰশাসনে এই লোকসকলক উচ্চেদৰ জাননী জাৰি কৰিছিল বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। এই জাননী পোৱাৰ পাছত প্ৰায়সমূহ পৰিয়ালে সেই স্থান ত্যাগ কৰিছিল যদিও প্ৰশাসন সেই স্থানত উপস্থিত হৈ অৱশিষ্ট পৰিয়ালসমূহ ঘৰ-দুৱাৰ উচ্চেদ কৰে। উচ্চেদৰ সময়ত বাধাৰ সৃষ্টি কৰাৰ চেষ্টা চলোৱাৰ বাবে প্ৰশাসনে দুজন লোকক আটক কৰে। এই উচ্ছেদ অভিযান সম্পূৰ্ণ হোৱাৰ পাছত বন আৰু পৰিবেশ বিভাগৰ বিশেষ মুখ্য সচিবে সংবাদ মেল সম্বোধন কৰি শান্তিপূৰ্ণভাৱে উচ্ছেদ অভিযান সমাপন হোৱা বুলি প্ৰকাশ কৰে।

বাইট

০০০০

**মুখ্যমন্ত্ৰী** ড° হিমন্ত বিশ্ব **শৰ্মাই** কাইলৈ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনৰ পৰিয়ালক ৰাজ সাহায্যযুক্ত **মচুৰ** ডাইল, চেনী আৰু নিমখ সুলভ **মূল্যত** যোগান আঁচনিৰ **শুভাৰম্ভ** কৰিব। ৰাজ্যৰ প্ৰায় ৭০ লাখ লোক এই আঁচনিৰ দ্বাৰা উপকৃত হ'ব। উল্লেখযোগ্য যে ৰাইজৰ বাবে খাদ্য সুৰক্ষা সুনিশ্চিত কৰিবলৈ ২০২৩ চনৰ জানুৱাৰী মাহৰ পৰা কেন্দ্ৰীয় চৰকাৰে খাদ্য সুৰক্ষা আইনৰ অধীনত সকলো হিতাধিকাৰীৰ বাবে প্ৰধানমন্ত্ৰী গৰীৱ কল্যান অন্ন যোজনাৰ অধীনত সমগ্ৰ দেশতে বিনামুলীয়া চাউলৰ ব্যৱস্থা কৰি আহিছে।

ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উদ্যোগত দক্ষিণ শালমাৰা মানকাচৰ জিলাত কাইলৈৰ পৰা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়ালক ৰাজ সাহায্যযুক্ত মচুৰ ডাইল, চেনী আৰু নিমখ সুলভ মূল্যত যোগান ধৰা হ'ব। এই সন্দৰ্ভত আজি **দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই সংবাদমেল সম্বোধন কৰি জিলাখনৰ ৪১৫ খন সুলভ মূল্যৰ দোকানত ৮৭ হাজাৰ ৫৮৭ টা পৰিয়ালক কাইলৈৰ পৰা এই সামগ্ৰী বিতৰণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। প্ৰথম পৰ্যায়ত পৰিয়ালসমূহে প্ৰতি কিলোগ্ৰাম মচুৰ ডাইল ৬৯ টকা, নিমখ প্ৰতি কিলোগ্ৰামত ১০ টকা আৰু চেনী প্ৰতি কিলোগ্ৰামত ৩৮ টকা মূল্যত কিনিব পাৰিব। অহা জানুৱাৰী মাহৰ পৰা এই মূল্য হ্ৰাস কৰি মচুৰ ডাইল প্ৰতি কিলোগ্ৰামত ৬০ টকা আৰু চেনী প্ৰতি কিলোগ্ৰাম ৩০ টকা দামত পৰিয়ালসমূহে লাভ কৰিব বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। প্ৰতিখন কাৰ্ডৰ বিপৰীতে এক কিলোগ্ৰামকৈ সামগ্ৰী প্ৰদান কৰা হ'ব বুলি আজিৰ এই সংবাদমেলত প্ৰকাশ কৰে।

একেদৰে **চিৰাং** জিলাৰ চিডলী আৰু বিজনী বিধানসভা সমষ্টিত কেনেদৰে গ্ৰাহক ৰাইজক এই সামগ্ৰী প্ৰদান কৰা হ'ব সেই বিষয়ে আজি চিৰাং জিলাৰ আয়ুক্ত যতীন বৰাই এখন সংবাদমেল সম্বোধন কৰে। তেওঁ কয়, যে কাইলৈৰ পৰা এইমাহৰ ১৯ তাৰিখলৈ এই সেৱাৰ সুবিধা ৰাইজে গ্ৰহণ কৰিব পাৰিব। তেওঁ লগতে কয় যে প্ৰতি মাহৰ পহিলা তাৰিখৰ পৰা ১০ তাৰিখলৈ এই সেৱা আগবঢ়োৱা হ'ব। কাইলৈ মুখ্যমন্ত্ৰীৰ অনুষ্ঠান চিৰাঙৰ প্ৰতিখন সুলভ মূল্যৰ দোকানত পোনপটীয়াকৈ দেখুওৱাৰ ব্যৱস্থা কৰা হৈছে বুলিও আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

**কামৰূপ** জিলাত এই আঁচনি ৰূপায়ন সন্দৰ্ভত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই এইদৰে কয়।

**বাইট**

**শ্ৰীভূমি** জিলাতো অন্ন সেৱা দিৱস উপলক্ষে সামগ্ৰীসমূহ শৃংখলিতভাৱে বিতৰণ কৰাত সকলো নাগৰিকক সহযোগিতা কৰিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে।

**হোজাই** জিলাত জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে সংবাদ মেল সম্বোধন কৰি এই আঁচনিখনৰ জৰিয়তে জিলাখনৰ ৮ হাজাৰ ১২ খন সুলভ মূল্যৰ দোকানৰ পৰা গ্ৰাহক ৰাইজে এই সুবিধা গ্ৰহণ কৰিব পাৰিব বুলি প্ৰকাশ কৰে।

**ধেমাজী** জিলাৰ আয়ুক্ত ৰাহুল সুৰেশ জাবীৰে সংবাদমেল সম্বোধন কৰি জিলাখনৰ এহেজাৰ ১০২ খন সুলভ মূল্যৰ দোকানত কাইলৈৰ পৰা এই সামগ্ৰী বিতৰণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। **কোকৰাঝাৰ** জিলাতো কাইলৈৰ পৰা অন্ন সেৱা আঁচনি আৰম্ভ কৰা হ'ব বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে।

**শিৱসাগৰ** জিলাত এহেজাৰ ২৬ খন সুলভ মূল্যৰ দোকানত এক লাখ ৬১ হাজাৰ ৭৭৩ টা পৰিয়ালে কাইলৈৰ পৰা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত এই সুবিধা লাভ কৰিব।

০০০০

বিশ্বনাথ চাৰিআলিত কাইলৈ চৰ্দাৰ বল্লভ ভাই পেটেলৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে পদযাত্ৰা সমাপ্ত কৰা হ'ব। এই পদযাত্ৰাত স্বচ্ছ ভাৰত ড্ৰাগছ বিৰোধী অভিযান, নাৰী সৱলীকৰণ, ৰক্তদান শিবিৰ, বৃক্ষৰোপণ আদি কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই সম্পৰ্কে বিশ্বনাথৰ জিলা আয়ুক্ত কাৰ্যালয়ত সাংসদ ৰণজিৎ দত্ত আৰু জিলা আয়ুক্ত সীমান্ত কুমাৰ দাসে সংবাদমেল সম্বোধন কৰে।

০০০০

তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ সহযোগত আৰু গেৰুৱাপাৰ ৰাভা কৃষ্টিৰ উদ্যোগত গেৰুৱাপাৰ প্ৰাথমিক বিদ্যালয়ৰ খেলপথাৰত ৭ দিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা ৰাভা নৃত্যৰ কৰ্মশালাৰ আজি সামৰণি পৰে। এই কৰ্মশালাত অঞ্চলটোৰ শতাধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। আজিৰ সামৰণি অনুষ্ঠানত অঞ্চলটোৰ কেইবাগৰাকীও শিল্পী কলা কুশলী তথা বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

অসম সাহিত্য সভাৰ উদ্যোগত আজি শিৱসাগৰ বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ত সুৱাগ তোলা শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ যোৰহাটস্থিত চন্দ্ৰকান্ত সন্দিকৈ ভৱনটোৰ অহা ২ ডিচেম্বৰত ১০০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এই কাৰ্যসূচীত সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে অংশগ্ৰহণ কৰে। ইয়াৰ লগত সংগতি ৰাখি এটা বৰ্ণাঢ্য শোভাযাত্ৰা উলিওৱা হয়।

০০০০

সদৌ অসম ধেমাজি জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ নৱনিৰ্বাচিত কেন্দ্ৰীয় সমিতিয়ে আজি আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰে। বোকাখাতত অলপতে অনুষ্ঠিত সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ ত্ৰয়োদশ দ্বিবাৰ্ষিক অধিবেশনত নতুন সমিতিখন গঠন কৰিছিল।

০০০০

বঙাইগাওঁৰ সমীপৰ দুলাইগাওঁৰ মিনি ষ্টেডিয়ামত আজি সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাকে ধৰি কোচ ৰাজবংশীৰ ১২ টা দল সংগঠনে যৌথভাৱে এটা প্ৰতিবাদী গণ সমাবেশ অনুষ্ঠিত কৰে। জনগোষ্ঠীটোৰ জনজাতিকৰণ, কে এলৰ সৈতে শান্তি আলোচনা অনুষ্ঠিত কৰা আৰু কমতাপুৰ ৰাজ্য গঠনৰ দাবীৰ সমৰ্থনত শান্তিপূৰ্ণভাৱে সমাবেশত ভাগ লয়।

০০০০

সমাজত এনে কেতবোৰ লোক আছে যিসকলে সচৰাচৰ আনে নকৰা কাম কৰাৰ প্ৰয়াস কৰি ইয়াত ফলৱতীও হয়। অসমত বিলুপ্তপ্ৰায় ৫০০ৰো অধিক থলুৱা ধানৰ প্ৰজাতি পুনৰুদ্ধাৰ কৰি সংৰক্ষণ কৰা অথবা ৰাজ্যখনৰ হাবি-বননিয়ে সিঁচৰতি হৈ থকা প্ৰায় ৩০০বিধ কপৌ ফুল বা অৰ্কিড সংৰক্ষণ কৰাৰ দৰে কাম এওঁলোকে কৰিছে। আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত এইসকল ব্যক্তিক লগ পাব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

মাজুলী জিলা চিকিৎসালয়ক সহযোগত আজি নামনি মাজুলীৰ ভালুকমৰাত স্বাস্থ্য সজাগতা আৰু প্ৰাথমিক স্বাস্থ্য পৰীক্ষাৰ এটি শিবিৰ অনুষ্ঠিত হয়। অনুষ্ঠানত ভালেমান লোকৰ স্বাস্থ্য পৰীক্ষা কৰা হয়।

০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ ডকমকাত থকা বন বিভাগৰ পৰিদৰ্শন ভৱনত আজি জিলা নিৰ্বাচনৰ বিভাগৰ এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত অনুৰাগ গোৱেলৰ উপস্থিতিত হোৱা বৈঠকত অহা বছৰ ৰাজ্যত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ পৰিচালনাৰ ক্ষেত্ৰত বিশদভাৱে আলোচনা কৰা হয়।

০০০০

সৰ্বভাৰতীয় টেনিছ সন্থা আৰু আন্তঃৰাষ্ট্ৰীয় টেনিছ ফেডাৰেশ্যনৰ সহযোগত সদৌ অসম টেনিছ সন্থাই কাইলৈৰ পৰা গুৱাহাটীত দুখনকৈ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্ৰতিযোগিতা দুখনত ভাৰতৰ লগতে বিশ্বৰ ১৫খন দেশৰ দুই-শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। চচলৰ টেনিছ প্ৰকল্পত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় টেনিছ ফেডাৰেচনৰ বিশ্ব ৰেংকিং ইভেণ্ট আই টি এফ মাষ্টাৰ্ছ এম টি - টু হাণ্ড্ৰেড প্ৰতিযোগিতাখনৰ খেল পুৱাৰে পৰা আৰম্ভ হ'ব। ৩৫, ৪৫, ৫৫ আৰু ৬৫ বছৰৰ উৰ্দ্ধৰ পুৰুষ আৰু মহিলাৰ বাবে প্ৰতিযোগিতাখন মুকলি থাকিব। অহা ১৪ নৱেম্বৰত এই প্ৰতিযোগিতাৰ অন্ত পৰিব যদিও ১৭ নৱেম্বৰৰ পৰা ২২ নৱেম্বৰলৈকে দ্বিতীয়খন প্ৰতিযোগিতা আই টি এফ জুনিয়ৰ অনুষ্ঠিত হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ